# পঞ্চম অধ্যায়

## ৫.০ বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধ সাহিত্যত প্ৰতিফলিত স্বদেশপ্ৰেম

অসমীয়া সাহিত্যত 'অৰুনোদই'ৰ পৃষ্ঠাতে প্ৰথম প্ৰৱন্ধ সাহিত্যৰ জন্ম হয়।[১] এই ক্ষেত্ৰত গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা অগ্ৰণী ব্যক্তি আছিল। 'অৰুনোদই' সম্বাদ পত্ৰই জন্ম দিয়া ভাষিক চেতনাবোধে অসমীয়াৰ প্ৰাণত স্বদেশ চেতনা পোন প্ৰথমবাৰৰ বাবে প্ৰোথিত কৰিছিল। গুণাভিৰাম বৰুৱাৰ 'অচমিয়া ভাসা', 'মাত্ৰি ভাসাৰ সক্তি' আদি এই ক্ষেত্ৰত উল্লেখযোগ্য প্ৰবন্ধ। গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ গোস্বামীৰ মাজেদি প্ৰকাশিত ভাষিক চেতনাবোধ পৰৱৰ্তী সময়ত অধিক তীব্ৰ হৈ উঠিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা এই চেতনাৰ দ্বাৰাই নিয়ন্ত্ৰিত হৈছিল। অন্যহাতে জোনাকী আলোচনীয়ে সৃষ্টি কৰা সাহিত্যিক আন্দোলনটিত এই ভাৱধাৰা অধিক প্ৰকট হৈছিল আৰু ই প্ৰৱল ভাবে বিকাশ লাভ কৰিছিল। অসমীয়া সাহিত্যৰ অন্যতম উপাদান প্ৰবন্ধ সাহিত্যৰ বিকাশো এই স্তৰত অধিক ৰূপে দেখা যায়। ন ন ভাৱ ৰসেৰে সমৃদ্ধ হৈ প্ৰবাহিত হোৱা এই ধাৰাৰ সাহিত্যক অধিক গতিশীলতা প্ৰদান কৰিছিল কমলাকান্ত ভট্টাচাৰ্য্য, পানীন্দ্ৰনাথ গগৈ, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, অম্বিকাগিৰি ৰায়চৌধুৰী, কনকলাল বৰুৱা, সূৰ্যকুমাৰ ভূঞা, বেণুধৰ শৰ্মা ইত্যাদি সাহিত্যিকসকলৰ প্ৰবন্ধৰাজিয়ে। এইক্ষেত্ৰত কমলাকান্ত ভট্টাচাৰ্য্যৰ 'জাতীয় উন্নতি', 'পানীন্দ্ৰনাথ গগৈৰ 'জাতীয় প্ৰেম', হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ভাষা', লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসমীয়া ভাষা', বেণুধৰ শৰ্মাৰ 'বঙাল-বৈৰী লাচিত বৰফুকন' ইত্যাদি উল্লেখযোগ্য

---

১। "কম পৰিসৰৰ আলোচনা, প্ৰবন্ধ বা essay 'অৰুনোদই'ৰ আলমতে অসমীয়া সাহিত্যত উদ্ভৱ হয়।"
- মহেশ্বৰ নেওগ (সম্পা.), 'ভূমিকা', *অৰুনোদই*, পৃ. ১৩১

প্ৰবন্ধ। অন্যহাতে পৰৱৰ্তী সময়ত এই ধাৰাৰ প্ৰবন্ধ সাহিত্যৰ বিকাশত অৰদান আগবঢ়োৱাসকলৰ অন্যতম বিনন্দ চন্দ্ৰ বৰুৱা। বিনন্দ চন্দ্ৰ বৰুৱাৰ অনন্য ৰচনাৰাজিত স্বদেশপ্ৰেমৰ প্ৰকাশ যিদৰে শক্তিশালী ৰূপত প্ৰত্যক্ষ কৰা যায় ঠিক তেনেদৰে বৰুৱাৰ বিস্তৃত প্ৰবন্ধৰাজিতো একেই সুৰ অনুৰণিত হৈ আছে।

> বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিসত্তা তেখেতৰ গদ্য-ৰচনাৰ মাজতো সক্ৰিয়। যি ভাব-শক্তিৰ দ্বাৰা তেওঁৰ কবিসত্তা উদ্দীপিত সেই ভাবশক্তি (Spirit)ৰ দ্বাৰাই তেওঁ গদ্য ৰচনাও নিয়ন্ত্ৰিত। দেশাত্মবোধেই ইয়াতো ঘাই চালিকা শক্তি।[২]

বৰুৱাৰ প্ৰবন্ধসমূহ ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ। এই দুই ধৰণৰ প্ৰবন্ধৰ জৰিয়তে বিনন্দ চন্দ্ৰ বৰুৱাই স্বদেশ প্ৰেমৰ ভাব প্ৰকাশক অনেক তথ্য, আদৰ্শ, আহ্বান আৰু আদৰ্শবাদক প্ৰতিষ্ঠা কৰিছে। এই ক্ষেত্ৰত বৰুৱাই পূৰ্বসুৰি সকলৰ পৰা পথৰ নিৰ্দেশ পাইছিল যদিও বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত স্বক্ৰিয় বৈশিষ্ট্য বিদ্যমান। বিষয় বৈচিত্ৰ তেওঁ বিশাল সংখ্যক প্ৰবন্ধৰ ঘাই বিষয়। বৰুৱাৰ প্ৰবন্ধসমূহত প্ৰতিফলিত হোৱা সমসাময়িক ভাষা, সাহিত্য, সমাজ-সংস্কৃতি, ৰাজনীতি, শিক্ষা ব্যৱস্থা ইত্যাদি বিভিন্ন দিশৰ প্ৰতিফলনৰ জৰিয়তে স্বদেশপ্ৰেমৰ সুস্পষ্ট প্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়।

'বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী'ত সন্নিৱিষ্ট বৰুৱাৰ মুঠ প্ৰবন্ধ সংখ্যা ৪৪ টা। উল্লেখযোগ্য যে ভাষণাৱলী সম্বন্ধীয় অন্য এটি প্ৰবন্ধ উদ্ধাৰ কৰা হৈছে।[৩] সেই হিচাপত মুঠ ৪৫ টি প্ৰবন্ধ নিৰ্ণয় কৰা হৈছে। অন্যহাতে ৰচনাৱলীত বিনন্দ চন্দ্ৰ বৰুৱাৰ ব্যঙ্গাত্মাক লেখা 'কেৰপাই বাপুৰ চিঠি' (মুঠ ৬ টা লেখা) শীৰ্যক লেখাসমূহো প্ৰবন্ধ শিতানত অন্তৰ্ভুক্ত কৰা দেখা যায়। অৱশ্যে আমাৰ এই গৱেষণা কৰ্মত 'কেৰপাই বাপুৰ চিঠি'ৰ প্ৰত্যক্ষ আলোচনা সন্নিৱিষ্ট কৰা হোৱা নাই। কাৰণ এইলানি ৰচনাত হাস্য-ব্যঙ্গ ঘাই আকৰ্যণ, স্বদেশপ্ৰেমৰ প্ৰকাশ গৌণ হৈ পৰিছে।

## ৫.১ বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিৰ শ্ৰেণী বিভাগ ঃ

---

২। নগেন শইকীয়া, 'পগলা কবিৰ গাত মাৰে যেন চাট চাট', *বিনন্দ চন্দ্ৰ বৰুৱা ব্যক্তিত্ব আৰু প্ৰতিভা,* সম্পা. ভৱ গোস্বামী, পৃ. ৪৮

৩। বিনন্দ চন্দ্ৰ বৰুৱা, 'সাংস্কৃতিক সম্মিলনীৰ উদ্বোধকৰ ভাষণ', *ৰংছিনাৰ সুৰ,* সম্পা. দুৰ্গেশ্বৰ শৰ্মা, পৃ. ৬১-৬৩

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিৰ বিষয় বৈচিত্ৰপূৰ্ণ। বিবিধ বিষয়ক প্ৰবন্ধৰাজিক আলোচনাৰ সুবিধাৰ বাবে মূলতঃ পাঁচটা ভাগত ভাগ কৰা হৈছে এনেদৰে —

(১) ব্যক্তি আৰু জীৱন সম্পৰ্কীয়

(২) অসম সাহিত্য সভা সম্পৰ্কীয়

(৩) বিবিধ বিষয়ক

(৪) ভাষণাৱলী সম্বন্ধীয়

(৫) ভাৰতৰ শাসন নীতি সম্বন্ধীয়

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰ সংখ্যা যথেষ্ট। সৰহসংখ্যক প্ৰবন্ধতে সংক্ষিপ্ততা, স্বতঃসম্পূৰ্ণতা আৰু বিষয়বস্তুৰ একমুখিতা লক্ষ্য কৰা যায়। উল্লেখযোগ্য যে, 'ভাৰতৰ শাসন নীতি' সম্বন্ধীয় তথ্যসমৃদ্ধ প্ৰবন্ধলানি সম্পূৰ্ণ এক শৈক্ষিক উদ্দেশ্যত যুগুত কৰিছিল। উল্লেখ আছে, কলিকতা বিশ্ববিদ্যালয়ৰ নতুন নিয়ম অনুসৰি প্ৰৱেশিকা পাঠ্য তালিকাত অন্তৰ্ভূক্তি পাঠ্যপুথিৰ বাবে ১৯৩৮ চনত পুথিৰূপে প্ৰকাশ কৰিছিল। পুথিখনৰ প্ৰবন্ধসমূহৰ আধাৰবস্তু হৈছে ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ শাসন সংস্কাৰ আইন, চাইমন কমিচনৰ ৰিপৰ্ট আৰু দুই চাৰিখন সৰু-সুৰা ৰিপৰ্টৰ লগতে অন্যান্য বহু গুৰুত্বপূৰ্ণ উৎসৰ পৰা আহৰণ কৰা তথ্য।[৪] প্ৰবন্ধলানিৰ জৰিয়তে ইংৰাজ শাসনতন্ত্ৰৰ স্বৰূপ, দেশৰ সামগ্ৰিক অৱস্থা আৰু ইংৰাজৰ আধিপত্য বিস্তাৰৰ বহু তথ্য সঞ্চিত হৈ আছে। উদ্দেশ্যধৰ্মী ৰচনা যদিও 'ভাৰতৰ শাসন নীতি' সম্বন্ধীয় এইলানি ঐতিহাসিক প্ৰবন্ধ বৰুৱাৰ অন্যতম অৱদান। ইয়াৰ উপৰিও 'কেৰপাই শৰ্মা' ছদ্মনামত ৰচিত ব্যঙ্গাত্মক প্ৰবন্ধলানিত খুহুটীয়া কথাৰ চলেৰে উত্থাপিত নাৰী জাগৰণ, সমতাৰ ৰেঙণি জ্ঞাপন কৰা ইত্যাদি দুই-এটা দিশ গুৰুত্বপূৰ্ণ। অন্যহাতে এই আলোচনাত সৰহ সংখ্যক প্ৰবন্ধৰপৰা উদ্ধৃতি সমূহ ব্যৱহাৰ কৰা হৈছে।

---

৪। নিবেদন, তথ্যভিত্তিক লেখা, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৬৫৭

## ৫.২ বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰকাশিত স্বদেশপ্ৰেম ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰকাশিত স্বদেশপ্ৰেম তলত উল্লেখ কৰা দৃষ্টিভংগীৰ সহায়ত বিশ্লেষণৰ যত্ন কৰা হৈছে। অৱশ্যে বৰুৱাৰ বিস্তৃত প্ৰবন্ধৰাজিৰ প্ৰত্যেকটো প্ৰবন্ধক গাইগুটিয়াভাৱে গৱেষণা গ্ৰন্থৰ সীমিত পৰিসৰত ফঁহিয়াই দেখুওৱাত অসুবিধা। সেয়ে সামগ্ৰিকভাৱে বিচাৰ কৰিবলৈ লোৱা দিশকেইটা হৈছে —

(১) তথ্য উপস্থাপনৰ জৰিয়তে প্ৰতিষ্ঠিত স্বদেশপ্ৰেম

(২) মতাদৰ্শ স্থাপনৰ প্ৰচেষ্টাত প্ৰতিফলিত স্বদেশপ্ৰেম

(৩) সংস্কাৰকামী মনোভাৱ প্ৰকাশত ফুটি উঠা স্বদেশপ্ৰেম

(৪) মাতৃভাষা প্ৰীতি আৰু মাতৃভাষাৰ সাহিত্যৰ গুৰুত্ব

(৫) প্ৰৱল আশাবাদ আৰু স্বদেশপ্ৰেম।

তলত উক্ত দিশকেইটা বৰুৱাৰ প্ৰবন্ধৰ আলমত বিচাৰ কৰা হৈছে।

### ৫.২.১ তথ্য উপস্থাপনৰ জৰিয়তে প্ৰতিষ্ঠিত স্বদেশপ্ৰেম ঃ

তথ্য হৈছে একো একোটা প্ৰবন্ধৰ মূল আধাৰ। বিনন্দ চন্দ্ৰ বৰুৱা প্ৰবন্ধলানিৰ পাঁচোটা বিভাগৰ সৰহ সংখ্যক প্ৰবন্ধ তথ্যসম্পন্ন। প্ৰবন্ধসমূহ বৰুৱাৰ অনেক শ্ৰম আৰু চিন্তাপ্ৰসূত ৰচনা। বৰুৱাৰ প্ৰবন্ধসমূহত তথ্যসমূহ এনেভাৱে সংপৃক্ত, যাৰ জৰিয়তে জাতীয় প্ৰেমৰ স্বৰূপ উদ্‌ঘাটন কৰিব পাৰি। সোঁৱৰণিমূলক বা ব্যক্তি জীৱন সম্পৰ্কীয় প্ৰবন্ধই হওক বা অসম সাহিত্য সভা সম্পৰ্কীয় প্ৰবন্ধই হওক নতুবা অন্যান্য বিষয়ক প্ৰবন্ধই হওক সকলো প্ৰকাৰৰ প্ৰবন্ধতেই দেখিবলৈ পোৱা যায় অনেক তথ্যৰ সমাহাৰ। জাতীয় জীৱনক চহকী কৰা উত্তৰ পুৰুষৰ বাবে সঞ্চিত অনেক তথ্যই জাতীয় জীৱনৰ মহতী ৰূপটো প্ৰকট কৰে। বৰুৱাৰ এই প্ৰবন্ধলানি বৰুৱাৰ জীৱন-কৰ্ম-চিন্তাৰ প্ৰতিফলক স্বৰূপ। অৱধাৰিতভাৱে লিখি উলিওৱা প্ৰবন্ধসমূহত দেখিবলৈ পোৱা স্বদেশপ্ৰেম প্ৰকাশক তথ্যসমূহ এনেধৰণৰ —

### ৫.২.১.১ অসম সাহিত্য সভাৰ সন্দৰ্ভত চিন্তাপ্ৰসূত তথ্যত প্ৰকাশিত স্বদেশপ্ৰেম ঃ

অসম সাহিত্য সভা আৰু বিনন্দ চন্দ্ৰ বৰুৱা একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। ১৯২৯ চনৰে পৰা সক্ৰিয়ভাৱে ওৰেটো জীৱন অসম সাহিত্য সভাৰ শুভ চিন্তকৰূপে কৰ্ম সম্পাদন কৰা বৰুৱাৰ লেখাসমূহত কেৱল স্বদেশৰ ভাষা-সাহিত্য আৰু স্বজাতিৰ উন্নতিৰ আহ্বান ধ্বনিত হৈছে। অসম সাহিত্য সভা 'সমন্বয়ৰ আৰু জাতীয় শক্তি[৫] স্বৰূপ।' সাহিত্য সভা এক উমৈহতীয়া অনুষ্ঠান[৬] আৰু এই অনুষ্ঠান জাতি, ধৰ্ম, বৰ্ণ, দল, ধনী, দুখীয়াৰ উৰ্দ্ধত; ই সকলোৰে বাবে যেন নিজ গৃহ। সেয়ে অসম সাহিত্য সভা অসমীয়া সাহিত্য সভা নহয় — অসম সাহিত্য সভাহে।[৭] অসম সাহিত্য সভাৰ সন্দৰ্ভত সন্নিৱিষ্ট এনে বহু তথ্যই লগতে শ্ৰদ্ধা আৰু কৰ্তব্য[৮] প্ৰকাশক বহু ভাবসমৃদ্ধ তথ্যই প্ৰবল স্বদেশপ্ৰেম স্থাপিত কৰিছে —

#### ৫.২.১.১.১ শৰাইঘাট দলং আৰু অসম সাহিত্য সভা ঃ

অসম বুৰঞ্জী খ্যাত শৰাইঘাটৰ ৰণ অসমীয়া জাতিৰ গৌৰৱ গাথা। সেই 'শৰাইঘাট' ৰণৰ সোঁৱৰণী হৈ জাতিক সদা জাগ্ৰত কৰি স্বদেশপ্ৰেমৰ আদৰ্শ হৈ আছে 'শৰাইঘাট দলং'। এই দলঙৰ নামকৰণৰ সৈতে বিনন্দ চন্দ্ৰ বৰুৱা আৰু অসম সাহিত্য সভা ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা তথ্য এনেধৰণৰ ঃ

> ১৯৫৮ চনৰ নগাঁও অধিৱেশনত প্ৰধান সম্পাদকৰূপে প্ৰতিবেদন আদি কোনো খুত নথকাকৈয়ে দিব পাৰিছিলোঁ; কিন্তু বিষয়-বাছনী সভাত ব্ৰহ্মপুত্ৰৰ দলংখনৰ নাম দিয়া

---

৫। 'অসম সাহিত্য সভাৰ বিষয়ে একাষাৰ', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯০৬
৬। 'সাহিত্য সভাৰ তিনিকুৰি বছৰ', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯০২
৭। 'আগত সাহিত্য, পাছত শক্তি ...', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯১৯
৮। 'মোৰ দৃষ্টিত সাহিত্য সভা', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯১৭

প্ৰস্তাৱটো গৃহীত হওঁতে ৰাতি বাৰ বাজিল। মোৰ প্ৰস্তাৱ আছিল ব্ৰহ্মপুত্ৰৰ দলংখনৰ নাম 'শৰাইঘাট' দলং হ'ব লাগে — ইয়াৰ বিপৰীতে আন নামৰ দুটা প্ৰস্তাৱ আছিল। ইয়াকে আলোচনা কৰোঁতে অবাবত বহুত সময় গ'ল। নামটো চৰকাৰে অনুমোদন কৰাত কেইবাবছৰো ল'লে। ১৯৬৩ চনত তেতিয়াৰ প্ৰধান সম্পাদক ড° মহেশ্বৰ নেওগৰ চেষ্টাতহে সাহিত্য সভাৰ প্ৰস্তাৱমতে, ব্ৰহ্মপুত্ৰৰ দলঙৰ নাম 'শৰাইঘাট' দলং হ'ল।[৯]

### ৫.২.১.১.২ নতুন সিদ্ধান্ত গ্ৰহণৰ তথ্য ঃ

সাহিত্য সভাৰ নিজাকৈ এটি ছপাখানা স্থাপন, এখন সৰবৰহী মাহেকীয়া আলোচনী প্ৰকাশৰ চিন্তা, পুঁজি সংগ্ৰহ, সভাৰ আজীৱন সভ্যভৰ্তিৰ কথা, স্মাৰক পুঁজি পৰিচালনা, সভাৰ পুথিভঁৰালটো ডাঙৰ কৰা, পুথি সংৰক্ষণ আৰু অসমৰ প্ৰত্যেক লেখকেই দুই-চাৰিখনকৈ পুথি পুথিভঁৰালত জমা দিয়াটো ইত্যাদি অনেক নতুন পৰম্পৰা প্ৰকাশক তথ্যসমূহ স্বদেশপ্ৰেমৰ পৰিচায়ক।[১০] ঠিক সেইদৰে 'বিশ্বকোষ প্ৰণয়নত চৰকাৰৰ সহায়ৰ পোষকতা, সাহিত্য বুৰঞ্জী প্ৰণয়নৰ পোষকতা, অসমীয়া বিষয়ৰ গৱেষণাত অসমীয়া ভাষাৰে কৰাৰ মত প্ৰকাশ[১১] ইত্যাদি বৰুৱাৰ নিজা মত। এনে গুৰুত্বপূৰ্ণ, ঐতিহাসিক তথ্যসমূহ স্বদেশপ্ৰেমৰে মূৰ্ত প্ৰকাশ ৰূপে চিহ্নিত কৰিব পাৰি। কাৰণ ইয়াৰ যোগেদি জাতীয় জীৱনৰ বৃহৎ অনুষ্ঠানটিৰ সুদূৰপ্ৰসাৰী পথ নিৰ্ণীত হোৱাৰ লগতে জাতিয়ে নতুন প্ৰাণশক্তি লাভ কৰিবলৈ সক্ষম হৈছিল। তাৰ প্ৰভাৱ আজিও বিদ্যমান।

### ৫.২.১.১.৩ অসম সাহিত্য সভা আৰু জাতীয় সংহতি ঃ

---

৯। 'সাহিত্য সভাৰ তিনি কুৰি বছৰ', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৮৯
১০। উল্লিখিত, পৃ. ৯০১
১১। 'সভাপতিৰ অভিভাষণ (১)', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৫৮

জাতীয় সংহতি এটা জাতিৰ মেৰুদণ্ড। এই সংহতি ৰক্ষা কৰাত জাতিটোৰ সংস্কৃতি, কলা-কৃষ্টি, ৰাজশক্তিৰ আদিৰ ভূমিকাতকৈ ভাষা-সাহিত্যৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিৰ 'অসম সাহিত্য সভা আৰু অসমীয়া সংহতি' শীৰ্ষক প্ৰবন্ধত তাৰ প্ৰতিফলন ঘটিছে এনেদৰে - 'ভাষা আৰু সাহিত্যৰ বাহিৰে ৰাজনৈতিক একতা, ধৰ্ম সম্বন্ধীয় একতা, সাম্প্ৰদায়িক একতা আদিয়েও সংহতি ৰক্ষাত সহায় কৰিলেও ভাষা সাহিত্যৰ সমান হ'ব নোৱাৰে।'[১২] অসমীয়া সংহতি ঘাইকৈ ভাৰতীয় সংহতিৰ এটা অংশ। ভাৰতৰ সংহতি ৰক্ষা কৰাত ভাষা-সাহিত্যতকৈ শ্ৰেষ্ঠ উপাদান একো নাই। সংহতিৰ মূল বস্তু জাতীয় সাহিত্য। এইক্ষেত্ৰত সাহিত্য সভাৰ বলিষ্ঠ পদক্ষেপৰ কথা সোঁৱৰাই দিছে অত্যন্ত গুৰুত্বপূৰ্ণ আৰু সদা প্ৰাসংগিক এই চিন্তাসম্ভূত তথ্য এনেধৰণৰ—

> অসমীয়া জাতিয়ে সামৰিব পৰা সকলো দল-উপদল, ধৰ্ম, সম্প্ৰদায় সকলোৰে মহামিলনৰ অনুষ্ঠান সাহিত্য সভাই এই সকলোকে মিলাই অসমীয়া জাতীয় সংহতি ৰক্ষা কৰাত যিমান সাফল্য লাভ কৰিব পাৰে আন অনুষ্ঠানে নোৱাৰে। ... অসমীয়া জাতীয় সংহতি ৰক্ষা কৰাত ইয়াতকৈ সৰবৰহী ডাঙৰ অনুষ্ঠান আৰু নাই।[১৩]

ইয়াৰপৰা বুজিব পাৰি যে অসম সাহিত্য সভাৰ গৌৰৱপূৰ্ণ অধ্যায়ৰ ঐতিহাসিক ভূমিকা। অসমীয়া জাতিৰ জাতীয় সংহতিৰ ধাৰক আৰু বাহক অসম সাহিত্য সভা এইক্ষেত্ৰত এক মহৎ অনুষ্ঠান।

### ৫.২.১.২ ব্যক্তি আৰু জীৱন সম্পৰ্কীয় প্ৰবন্ধলানিত সন্নিৱিষ্ট তথ্য আৰু স্বদেশপ্ৰেম ঃ

অসমীয়া জাতীয় জীৱনক চহকী কৰি জাতিটোক বিভিন্ন দিশত বহু দূৰ আগবঢ়াই নিয়া কাৰ্যত আত্মোৎসৰ্গ কৰাসকল প্ৰবল স্বদেশপ্ৰেমিক। এনে স্বদেশপ্ৰেমিকসকলক লৈ যুগুত কৰা প্ৰবন্ধলানি স্বাভাৱিকতে স্বদেশপ্ৰেমৰ নিদৰ্শন। চন্দ্ৰকুমাৰ আগৰৱালা, ডিম্বেশ্বৰ নেওগ, বেণুধৰ শৰ্মা, পদ্মনাথ

১২। 'অসম সাহিত্য সভা আৰু অসমীয়া সংহতি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯০৯
১৩। উল্লিখিত, পৃ. ৯১৫

গোহাঞিবৰুৱা, নকুল চন্দ্ৰ ভূএগ, পদ্মধৰ চলিহা, শৰৎচন্দ্ৰ গোস্বামী, গোপীনাথ বৰদলৈ প্ৰমুখ্যে মুঠ ওঠৰজন স্বদেশপ্ৰেমিকৰ চিন্তা, কৰ্ম আৰু জীৱন চিত্ৰায়ণত প্ৰকাশিত হৈছে স্বদেশপ্ৰেমৰ সুতীব্ৰ অনুৰাগ। যুগে যুগে জাতিটোক অনুপ্ৰাণিত কৰিব পৰা এই স্বদেশপ্ৰেমিকসকলৰ কৰ্মৰাজিৰ কিছু গুৰুত্বপূৰ্ণ তথ্য উঠি অহা প্ৰজন্মৰ বাবে স্থায়ী ৰূপত সংৰক্ষণ কৰা আৰু সংবৰ্দ্ধন ঘটোৱা কাৰ্য স্বদেশপ্ৰেমৰ অমল উৎস। একেজন মানুহেই আজীৱন আশাশুধীয়াভাৱে সাহিত্য-চৰ্চা কৰিও দেশক আৰু জাতিক আন সকলো বিষয়তে কেনেকৈ সেৱা কৰিব পাৰিলে তাকে ভাবি চোৱাই এই প্ৰবন্ধৰ উদ্দেশ্য।"[১৪] পদ্মনাথ গোহাঞিবৰুৱাৰ ক্ষেত্ৰত প্ৰকাশ কৰা এনে ভাব প্ৰবন্ধলানিৰ সকলো প্ৰবন্ধৰে কেন্দ্ৰীয় ভাব।

চন্দ্ৰকুমাৰ আগৰৱালাৰ জাতীয় প্ৰেমৰ নুমনা[১৫] বেণুধৰ শৰ্মাৰ অসমীয়া ভাষা প্ৰীতি, বুৰঞ্জীপ্ৰীতি আৰু বিবিধ অৱদান,[১৬] নকুল চন্দ্ৰ ভূএগৰ অসমীয়া ভাষাপ্ৰীতি বৰ্ণন আৰু জাতীয় সংহতিৰ ভেটি স্থাপনৰ ইতিকথা,[১৭] পূৰ্ণানন্দ শৰ্মা পাঠকৰ সাহিত্য সভাৰ কাৰ্যালয় নিৰ্মাণ কাৰ্য, হৰিপ্ৰসাদ নেওগ আৰু লক্ষ্মীনাথ

---

১৪। 'পদ্মনাথ গোহাঞিবৰুৱা', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯৪৯

১৫। "চন্দ্ৰকুমাৰ আগৰৱালাৰ লিখিত সাহিত্য চৰ্চাতকৈ অলিখিত সাহিত্য চৰ্চাই সেই সময়ৰ অসমীয়া সাহিত্যৰ সম্পদ বঢ়োৱাত যথেষ্ট সহায় কৰিলে। গুৱাহাটীত ছপাশাল পাতি, বাতৰি কাকত, আলোচনী প্ৰকাশ কৰি, উঠি অহা ডেকা সাহিত্যিকসকলৰ সাহিত্য প্ৰকাশত যোগান ধৰি তেখেতে অসমীয়া সাহিত্যক নতুন যুগৰ নতুন ঠাঁচত বহুদূৰ আগবঢ়াই দিলে।"
- 'প্ৰতিমাৰ খনিকৰ', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯২৩

১৬। "অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰতিষ্ঠা কৰাত বেণুধৰ শৰ্মাৰ নিচিনা সাহিত্যিক বিৰল।"
- 'স্বৰ্গীয় বেণুধৰ শৰ্মাৰ অসমীয়া ভাষা আৰু সাহিত্যলৈ অৱদান, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* ৰচনাৱলী, পৃ. ৯৩৯
"অসমৰ বীৰ-বীৰাঙ্গনাৰ কথা আৰু নতুন যুগৰ বিশিষ্ট লোকসকলৰ কথা তেখেতে সুন্দৰকৈ সাহিত্যৰ মাধ্যমেৰে প্ৰকাশ কৰিবলৈ বৰ যত্ন কৰিছিল। এইসকলৰ আদৰ্শ লৈ অসমীয়া জাতিয়ে উন্নতিৰ বাটত আগবাঢ়ি যোৱাটো কামনা কৰিয়েই তেখেতে বহুত শ্ৰমৰ বিনিময়ত আদৰ্শ পুৰুষসকলৰ জীৱনী লিখিছিল।" - উল্লিখিত, পৃ. ৯৩৯
"মণিৰাম দেৱানক শৰ্মাদেৱে অসম বুৰঞ্জীত যথেষ্ট যুক্তি-তৰ্কৰ দ্বাৰাই স্বাধীনতা যুদ্ধত ছহীদ হিচাপে গজগজীয়াকৈ প্ৰতিষ্ঠা কৰি থৈ গ'ল।" - উল্লিখিত, পৃ. ৯৪০

১৭। " ভূএগদেৱৰ অসমীয়া ভাষাৰ প্ৰতি প্ৰবল ধাউতি আছিল। অসমতে নিগাজিকৈ থাকিবলৈ অহা বনুৱাসকলৰ মাজত অসমীয়া ভাষা প্ৰচলিত নহ'লে তেওঁবিলাকৰো বিপদ, আমাৰো বিপদ। এই কথা বুজি ভূএগদেৱে নিজৰ হাতত থকা ক্ষমতা আৰু সুবিধা অনুসৰি বনুৱাসকলক নিজৰ মানুহ কৰি ল'বলৈ চেষ্টা কৰিছিল। ... তেওঁলোকক অসমীয়া ধৰণে নাম গাবলৈ, ভাবনা কৰিবলৈ আৰু বিহু পালন কৰি হুচৰি গাবলৈ শিকাইছিল।"
'ভূএগক সুঁৱৰি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯৪৪-৯৪৫
"ভূএগই বাগিচাত থাকি সাহিত্য চৰ্চাৰ যি আদৰ্শ বিষয়ক আৰু বনুৱাসকলৰ মাজত থৈ গ'ল তাৰ ফলস্বৰূপে আমি আজি বাগিচাৰ বিষয়া আৰু বনুৱাসকলৰ মাজত ভালেখিনি উদীয়মান অসমীয়া সাহিত্যিক দেখিবলৈ পাইছোঁ।"
- উল্লিখিত, পৃ. ৯৪৫

বেজবৰুৱাৰ শতবৰ্ষ উদ্‌যাপন কাৰ্য, পদ্মধৰ চলিহাৰ প্ৰতিভা, দেশভক্তি আৰু শংকৰদেৱ চৰ্চা,[১৮] গোপীনাথ বৰদলৈৰ স্বদেশপ্ৰেমৰ নিদৰ্শন, দেশসেৱক পৱ শৰ্মাৰ জীৱনালেখ্য, কৰ্মৰাজি, শৰৎচন্দ্ৰ গোস্বামীক স্মৰণ, বৰ্ণন ইত্যাদি স্বদেশপ্ৰেমৰ উদাহৰণ। স্বদেশহিতৈষীৰ প্ৰতি প্ৰকাশিত শ্ৰদ্ধা আৰু তেনে লোকৰ কৰ্মৰাজিৰ সন্দৰ্ভত প্ৰকাশিত গুৰুত্বপূৰ্ণ তথ্যই স্বদেশপ্ৰেমৰ সোঁত প্ৰত্যেকজন অসমীয়াৰ অন্তৰত প্ৰোথিত কৰিবলৈ সক্ষম। এই দিশৰ পৰা এইলানি প্ৰবন্ধ অনন্য।

### ৫.২.১.৩ বিবিধ বিষয়ক প্ৰবন্ধত সন্নিৱিষ্ট তথ্যৰ মাজত প্ৰতিফলিত স্বদেশপ্ৰেম ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ ‘বিবিধ বিষয়’ক প্ৰবন্ধৰাজি অসমীয়া প্ৰবন্ধ সাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংগ। প্ৰবন্ধলানিত সন্নিৱিষ্ট অনেক তথ্যই স্বদেশপ্ৰেমক প্ৰতিফলিত কৰিছে। প্ৰবন্ধসমূহত সন্নিৱিষ্ট তথ্য আৰু বিশ্লেষণধৰ্মী বিৱৰণত স্বদেশৰ যশ-কীৰ্তি, গুণ-গৰিমা প্ৰকাশ আৰু ভৱিষ্যতৰ বিকাশ নিহিত আছে। অন্যহাতে প্ৰবন্ধকাৰ বিনন্দ চন্দ্ৰ বৰুৱা মানুহজনৰ স্বদেশপ্ৰেম প্ৰকট হৈ ধৰা দিছে তথ্য আহৰণ, বিতৰণ আৰু সংৰক্ষণৰ প্ৰবল ধাউতিত। ব্যক্তিগৰাকীৰ ব্যক্তিগত মতাদৰ্শৰ পৰা সাহিত্যক নিলগাই বিচাৰ কৰিব নোৱাৰি। হৃদয়ত থাপিত হোৱা ভাবানুভূতিৰ তাগিদাইহে ব্যক্তিৰ কৰ্মৰাজিত প্ৰতিফলিত হয়।

প্ৰবন্ধসমূহত সংৰক্ষিত হৈ থকা তথ্যসমূহ সমাজৰ সৰ্বস্তৰৰ লোকৰ জ্ঞান আহৰণৰ সহায়ক। ৰাজনীতিৰ পৰা সমাজনীতিলৈকে, শিক্ষাৰ পৰা সংস্কাৰ-সংস্কৃতিলৈকে, কবিতাৰ পৰা আলোচনীলৈকে, বিজ্ঞানৰ বিবিধ আবিষ্কাৰৰ সন্দৰ্ভত নিহিত থকা অলেখ তথ্যই অসমীয়া সাহিত্যৰ লগতে জাতিকো উজ্জীৱিত কৰি তোলে। প্ৰকাৰন্তৰে জাতি জাগৰণৰ মন্ত্ৰ নিহিত হৈ আছে এই প্ৰবন্ধবিলাকত। স্বজাতিৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰত কৰিব পৰা বিবিধ বিষয়ক তথ্য সন্নিৱিষ্ট এইলানি প্ৰবন্ধ ঐতিহাসিকভাৱেও

---

১৮। “... ছাত্ৰ অৱস্থাৰ পৰা পয়সত্তৰ বছৰ বয়সলৈকে দেশৰ আৰু জাতিৰ কামকে কৰিলোঁ।”
‘কৰ্মযোগী পদ্মধৰ চলিহা’, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯৫৫
“... তেখেতেই ইংৰাজী ভাষাত মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে পুস্তিকা লিখি অসমৰ বাহিৰত মহাপুৰুষৰ গুণ-গান প্ৰচাৰ কৰাত সহায় কৰিলে। ... ইয়াৰ উপৰিও বিদেশীৰ আক্ৰমণত দেশ বিপন্ন হোৱা সময়তো তেখেতে স্বদেশপ্ৰেমৰ উত্তেজনাপূৰ্ণ।” - উল্লিখিত, পৃ. ৯৫৯। ইত্যাদি।

গুৰুত্বপূৰ্ণ।

'কবিতা', 'টীয়ক', 'আমাৰ প্ৰাথমিক শিক্ষা', 'মই লিখো কিয় ?' আদি এইক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰবন্ধ। তাৰ উপৰিও অন্যান্য প্ৰবন্ধৰাজিতো স্বদেশৰ প্ৰতি গভীৰ আনুগত্য ভাৱ প্ৰকট হৈ আছে। প্ৰবন্ধসমূহৰ জৰিয়তে সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱাৰ অধ্যয়নৰ পৰিসৰ আৰু সামাজিক দায়বদ্ধতাৰ প্ৰকাশ অত্যন্ত প্ৰবল। স্বদেশৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু মূৰ পাতি লোৱা দায়িত্বই বৰুৱাক যিদৰে আজীৱন লেখক কৰি ৰাখিলে ঠিক তেনেদৰে বৈচিত্ৰ্যময় বিষয়বস্তুক সাঙুৰি লোৱাৰ মূলতেই দায়বদ্ধতাক স্বীকাৰ কৰি হেৰাই যোৱাৰ ভয়ত[19] উত্তৰ পুৰুষলৈ সঞ্চয় কৰিলে। এইয়া কেৱল স্বদেশপ্ৰেমৰ বাবেহে সম্ভৱ। 'টীয়ক' আৰু 'মই লিখো কিয় ?' প্ৰবন্ধত এনেবোৰ দিশত সন্নিৱিষ্ট তথ্য অনেক। উদাহৰণ —

> মই লিখি ভাল পাওঁ কাৰণে লিখোঁ, মোৰ লিখাই যদি কাৰোবাক মানুহ হোৱাত অলপো সহায় কৰে তেন্তে মোৰ লিখাত সাৰ্থকতা আছে বুলি ভাবিম। পঢ়ক-নপঢ়ক মই লিখোঁ, দেশৰ উঠি অহা বংশধৰসকললৈ, তেওঁবিলাকে শান্তিপূৰ্ণ শৃঙ্খলিত উপায়েৰে নিজৰ ঐতিহ্য, উপলব্ধি কৰি ধুমুহাৰ দৰে বিঘিনি উৰাই, পত্ৰৰ দৰে পৃথিৱী কঁপাই, সুকৰৰ দৰে মঙ্গল সূচাই জীৱন যুদ্ধত আগবাঢ়িবলৈও মই লিখোঁ, মোৰ উঠি অহা ভাই-ভনী, বংশধৰসকলৰ সমাজখন যেন আদৰ্শৰ সমাজ হয়, আমাৰ সমাজত যেন মানুহৰ সকলো সুন্দৰ গুণৰ অভাৱ নহয়। যি দেশ জ্ঞানৰ চৰ্চাই আগ ঠাই লাভ কৰি আছে। সেই দেশৰ লোকে যেন পৰাধীনতাৰ পাপত লাভ কৰা হীন মনোবৃত্তিবিলাক ত্যাগ কৰি আচল জ্ঞানীৰ কাম কৰাত আগবাঢ়ি যায়।[20]

ভাৰতৰ পৰাধীন অৱস্থা আৰু স্বাধীনতা আন্দোলনে ভাৰতবাসীৰ প্ৰাণত জাগ্ৰত কৰা স্বদেশপ্ৰেম ধ্বনিত হৈ আছে বৰুৱাৰ 'ভাৰতৰ স্বাধীনতা আন্দোলন,' 'অসমত জুই লাগিছে, উত্তৰ-পূব ভাৰত উত্তপ্ত', 'জাগৰণ', 'আহ্বান' আদি প্ৰবন্ধত। ভাৰতৰ স্বাধীনতা আন্দোলন আৰু ভাৰতবাসীৰ স্বাধীনতা প্ৰাপ্তিৰ

---

১৯। 'টীয়ক', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০২৪
২০। 'মই লিখো কিয় ?', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৩৯

ছবি সংক্ষিপ্ত ৰূপে 'ভাৰতৰ স্বাধীনতা আহ্বান' প্ৰবন্ধটিত প্ৰতিফলিত হৈছে।

> অন্যহাতে মহাত্মা গান্ধীৰ আন্দোলনকে কেন্দ্ৰ কৰি অন্যান্য মুক্তি আন্দোলনবিলাকেও জাতিৰ প্ৰাণত জাতীয় ভাৱ জাগ্ৰত কৰিছিল আৰু সেই ভাৱ অসমীয়া সাহিত্যত স্বতঃস্ফুৰ্তভাৱে প্ৰকাশ পাইছিল। সামান্যভাৱে আমিও তাৰ ভিতৰত সোমাই পৰিলোঁ।[২১]

এনে অকপট স্বীকাৰোক্তি বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেমৰ অন্যতম এক প্ৰকাশ।

জাতীয় সাহিত্যৰ দ্বাৰাহে যে জাতীয় জাগৰণ সম্ভৱ সেই কথা বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধই দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰা লক্ষ্য কৰা যায়। সাহিত্যৰ দ্বাৰা কৰা জাগৰণ স্থায়ী। বৰুৱাৰ 'জাগৰণ' প্ৰবন্ধটিত তাৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায় এনেদৰে —

> জাতীয় সাহিত্য নহ'লে জাতীয় জাগৰণ অসম্ভৱ। জাগৰণৰ উন্নতিৰ পথসূচক সাহিত্যৰ অভাৱত জাগৰণ কষ্টসাধ্য। সেইদেখি জাতীয় সাহিত্য চৰ্চা কৰাই জাগিব খোজা জাতিৰ প্ৰধান কৰ্তব্য। ইংলেণ্ড, ফ্ৰান্স আদিৰ বুৰঞ্জী মেলি চালে সদায় এই কথাকে দেখোঁ। অসমত অসমীয়া সাহিত্য চৰ্চা কৰা হেয় জ্ঞান কৰিলে সকলোকে হেয় জ্ঞান কৰা হ'ব। 'জাতীয় সাহিত্য জাতীয় উন্নতিৰ সিংহদুৱাৰ'। সাহিত্যৰ দ্বাৰা কৰা জাগৰণ স্থায়ী, অমৰণ।[২২]

ঠিক তেনেদৰে 'অপ্ৰমাদী কবি মাধৱ কন্দলিৰ ৰামায়ণ' প্ৰবন্ধত 'জননী জন্মভূমি শ্চ স্বৰ্গাদপি গৰিয়সী'[২৩] — ৰামচন্দ্ৰৰ মুখৰ এই বাণীৰ উল্লেখেৰে স্বদেশৰ মানুহৰ প্ৰাণতো এনে ভাৱশক্তিৰ

২১। উল্লিখিত, পৃ. ১০৩৯

২২। 'জাগৰণ', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০১৭

দ্বাৰা ধ্বনিত স্বদেশপ্ৰেম জাগ্ৰত কৰিবলৈ যত্ন কৰাৰ মূলতেই প্ৰবল স্বদেশপ্ৰেম জিলিকি উঠিছে।

### ৫.২.২ মতাদৰ্শ স্থাপনৰ প্ৰচেষ্টাত প্ৰতিফলিত স্বদেশপ্ৰেম ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰতিফলিত মতবাদ স্থাপনৰ প্ৰচেষ্টাক স্বদেশপ্ৰেমৰ অন্যতম এক বলিষ্ঠ প্ৰকাশ ৰূপে চিহ্নিত কৰিব পাৰি। মতবাদ বিলাকৰ স্বৰূপ ব্যাখ্যা কৰিলে দেখা যায় স্বদেশৰ প্ৰতি ভক্তি, নিজ জন্মস্থানৰ প্ৰতি অপাৰ ভালপোৱা আৰু স্বদেশৰ মঙ্গল আৰু উন্নতি কামনাৰ অহোপুৰুযাৰ্থ ভাৱনা।

মাতৃভূমিৰ ভৱিষ্যতৰ এটি সুন্দৰ আগজাননী, এটি অমূল্য সম্পদৰ উৎস অসম সাহিত্য সভাৰ সন্দৰ্ভত কেতবোৰ মতবাদ স্থাপনৰ প্ৰচেষ্টা বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত বিদ্যমান। তেনে মতাদৰ্শ বা মতবাদ জাতীয় জীৱনৰ বাবে মংগলদায়ক। সেয়ে এনে মতবাদক স্বদেশপ্ৰেমৰ প্ৰকাশক ৰূপে গণ্য কৰিব পাৰি —

#### ৫.২.২.১ অসম সাহিত্য সভাৰ সন্দৰ্ভত প্ৰকাশিত মতাদৰ্শ ঃ

অসম সাহিত্য সভা অসমীয়াৰ জাতীয় জীৱনৰ মহৎ অনুষ্ঠান। জাতীয় জীৱনত সাহিত্য সভাৰ দায়িত্ব আৰু কৰ্তব্য গভীৰ। শান্তি, একতা, প্ৰগতিৰ বাৰ্তাবাহক ৰূপে চিৰদিন জাতিক জিলিকাই ৰখাৰ ক্ষেত্ৰত বৰুৱাৰ সাহিত্যত প্ৰকাশিত মতাদৰ্শ এনেধৰণৰ -

> মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু অপ্ৰমাদী কবিসকলে অসমীয়া জাতিটোক সোণোৱালী এনাজৰীৰে একগোট কৰি বান্ধি গৈছে। অসম সাহিত্য সভা মতিভ্ৰম নহ'লে বান্ধ আৰু

২৩। 'অপ্ৰমাদী মাধৱ কন্দলিৰ ৰামায়ণ', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০১৯

> কটকটীয়া কৰি ৰাখিব পাৰিব। দেশৰ সাহিত্য-সংস্কৃতিৰ বিষয়ত চৰকাৰৰ কৰ্তব্যও কম নহয়। সাহিত্য আৰু সংস্কৃতিয়ে দেশৰ শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰাত বহুত সহায় কৰে। ... গতিকে চৰকাৰে সাহিত্য সভাক সৰ্বতোপ্ৰকাৰে সহায় কৰি ইয়াৰ উন্নতি সাধনত যত্ন কৰা উচিত।[২৪]

সাহিত্য সভাই এই স্বতন্ত্ৰতা জীয়াই ৰখাৰ ক্ষেত্ৰত গ্ৰহণীয় পদক্ষেপৰ কথা সোঁৰৰাই আগবঢ়োৱা মতাদৰ্শ এনেধৰণৰ—

> চৰকাৰৰ দলীয় ৰাজনীতিৰ মেৰপাকত সোমাই সাহিত্য সভাই নিজৰ অস্তিত্ব হেৰুৱাই পেলেৱোটোও আমি নিবিচাৰোঁ। ... দলীয় নীতিৰ লগত সাহিত্য সভাই মোট সলাই থাকিলে ই সাহিত্য সভা হৈ নাথাকে।[২৫]

অত্যন্ত প্ৰাসংগিক আৰু আদৰণীয় এনে মতাদৰ্শ জাতিৰ বাবে আশীৰ্বাদস্বৰূপ। এনে সৰল চিন্তা বা আদৰ্শ স্বদেশপ্ৰেম প্ৰকাশক।

**৫.২.২.২ অসমীয়া সাহিত্য আৰু জাতীয় সংহতি সন্দৰ্ভত ঃ**

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত দেখা যায় মাতৃভাষাৰ সাহিত্য সৃষ্টি, প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্ব প্ৰদান। এইক্ষেত্ৰত সাহিত্যসভাৰ কৰণীয় কথাৰ উল্লেখ আছে এনেদৰে-

> অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান, অসম সাহিত্য সভাই পবিত্ৰ সাহিত্যৰ যোগেদি বিভিন্ন জাতি-ধৰ্ম-সম্প্ৰদায়, দল আদি সকলোকে সামৰিবলৈ সবাৰে ওপৰত এটি

---

২৪। 'সাহিত্য সভাৰ তিনি কুৰি বছৰ', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৯৮
২৫। উল্লিখিত, পৃ. ৯০১

> ‘অসমীয়া জাতি’ গঢ়ি তোলাৰ বাটত যথেষ্ট আগবাঢ়িব পাৰিছে।... উন্নত সাহিত্যৰ আধাৰতহে জাতীয় শক্তি গঢ়ি উঠে। “আগত সাহিত্য, পাছত শক্তি, বুৰঞ্জীৰ মহাবাণী।”[২৬]

জাতীয় জীৱনক সুদৃঢ় কৰি গঢ়ি তোলাত জাতীয় সাহিত্যৰ ভূমিকা গুৰুত্বপূৰ্ণ। এটা জাতিৰ প্ৰথম পৰিচয় জাতিটোৰ ভাষা আৰু সাহিত্য। সেয়ে ভাষা সাহিত্যৰ শ্ৰীবৃদ্ধিত জাতিৰ কৰণীয়খিনিৰ সন্দৰ্ভত মতাদৰ্শ এনেধৰণৰ —

> সাহিত্যৰ সংজ্ঞা যিয়েই নহওক। সাহিত্য জাতীয়তাৰ সুদৃঢ় এনাজৰী। এই সোণোৱালী এনাজৰীডালে জাতিটোক বান্ধি থৈছে। ইয়াৰ আঁত হেৰাব নোৱাৰে। আঁত হেৰালে জাতিৰো চিন-চাব নাইকীয়া হ’ব। ভাষা বা সাহিত্যৰ নামতহে জাতিৰ নাম। ... একেষাৰেই ক’বলৈ গ’লে মানুহৰ সাহিত্যতকৈ সম্পদ নাই।[২৭]

জাতীয় সাহিত্যৰ জৰিয়তে মহান ভাৰতীয় সাহিত্যৰ কাষ চপা “অসমীয়া জাতি অসমীয়া ভাষা-সাহিত্য, কলাকৃষ্টি, অসমীয়া সংহতি মহাভাৰতীয় সভ্যতাৰ এটা ঠেঙুলি”।[২৮]

**৫.২.২.৩ আঞ্চলিক ভাষা অসমীয়াৰ গুৰুত্ব সন্দৰ্ভত ঃ**

অসমীয়া ভাষা সু-প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ব্যক্তিৰ অৱদান, ভাষাটোৰ কালিকা, ভাষাৰ প্ৰতি প্ৰতিজন অসমীয়াৰ কৰ্তব্য আৰু মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধত দেখা পোৱা মতাদৰ্শসমূহ এনেধৰণৰ -

---

২৬। ‘অসম সাহিত্য সভাৰ বিষয়ে একাষাৰ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯০৬, ৯১৮
২৭। ‘ভাষণাৱলী -৮’, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১১০৫
২৮। ‘অসম সাহিত্য সভা আৰু অসমীয়া সংহতি’, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯১০

(১) বেজবৰুৱায়েই আধুনিক অসমীয়া সাহিত্যৰ সৰ্ৱৰহী (ষ্টেণ্ডাৰ্ড) ভাষাৰ প্ৰৱৰ্তক।[২৯]

(২) ভাষাৰ কালিকা সোমাই থাকে উচিত শব্দ ব্যৱহাৰত আৰু জতুৱা ঠাঁচত।[৩০]

(৩) অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰতিষ্ঠা কৰাত বেণুধৰ শৰ্মাৰ নিচিনা সাহিত্যিক বিৰল।[৩১]

(৪) উত্তৰ-পূব ভাৰতৰ সকলোতকৈ প্ৰাচীন আৰু চহকী ভাষা অসমীয়া। অসমীয়া ভাষা এই অঞ্চলৰ একৰকম সৰ্বৰহী ভাষা। গতিকে অসমীয়া ভাষাৰ নিৰ্ভৰ কৰাসকলৰ ভাষা, কলা-কৃষ্টি আদি চৰ্চা কৰা প্ৰতিজন শিক্ষিত অসমীয়াৰ কৰ্তব্য।[৩২]

(৫) অসমীয়া শিক্ষাৰ প্ৰতি যথেষ্ট কাণ নিদিয়াত শিক্ষাৰ অৱনতি ঘটিছে।[৩৩] মুঠতে আঞ্চলিক অসমীয়া ভাষাৰ মৰ্যদা বঢ়াবলৈ যিমান দূৰ সম্ভৱ অসমীয়া ব্যৱহাৰ কৰিব লাগে।[৩৪]

### ৫.২.২.৪ কবিতা সন্দৰ্ভত প্ৰকাশিত মতাদৰ্শ ঃ

কবিতা হ'ল বিশ্ব সাহিত্যৰ এক মহতি ৰূপ। এই কবিতা কিদৰে সৃষ্টি হয়, কবিতা কি, কবিতাৰ উপাদান কি, কবিতা আৰু ভাষা, কবিতা আৰু সাহিত্য, প্ৰকৃতিৰ অনন্ত সুৰ আৰু ছন্দোবদ্ধ কবিতা, কবিতাৰ মোহিনী শক্তি, কবিতাৰ সাংগিতীক লয় আৰু আধ্যাত্মিকতা, কবিৰ ধৰ্ম আৰু কবিতাত প্ৰতিফলিত যুগ ধৰ্ম, চিন্তা আৰু কল্পনা, কবিতাৰ ৰস আৰু কবিতাৰ সত্য ইত্যাদি কবিতা সম্বন্ধীয় অনেক তত্ত্বগধূৰ ব্যাখ্যাৰে বিনন্দ চন্দ্ৰ বৰুৱাৰ 'কবিতা' শীৰ্ষক প্ৰবন্ধটি মুখৰ। আলংকাৰিক, পণ্ডিত, প্ৰাচ্য-পাশ্চাত্য কবি, সমালোচকৰ সংজ্ঞাৰ আধাৰত কবিতাৰ স্বৰূপ ব্যাখ্যা এই প্ৰবন্ধত অত্যন্ত গভীৰ। নাতিদীৰ্ঘ প্ৰবন্ধটিৰ

---

২৯। 'স্বৰ্গীয় পাৰ্বতিপ্ৰসাদ বৰুৱাৰ বিয়োগত', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯৩২

৩০। 'স্বৰ্গীয় বেণুধৰ শৰ্মাৰ অসমীয়া ভাষা আৰু সাহিত্যলৈ অৱদান', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯৩৮

৩১। উল্লিখিত, পৃ. ৯৩৯

৩২। 'ভাষণাৱলী - ১', সভাপতিৰ অভিভাষণ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৭৩

৩৩। উল্লিখিত, পৃ. ১০৫৮

৩৪। উল্লিখিত, পৃ. ১০৬২

জৰিয়তে বিনন্দ চন্দ্ৰ বৰুৱাই অসমীয়া জাতীয় জীৱনৰ উন্নতি সোপান ৰচা কবিতা সৃষ্টিৰ ক্ষেত্ৰত বিচাৰ কৰিবলগীয়া গুণৰাশিৰ উল্লেখেৰে জাতীয় জীৱনত কবিতাৰ গুৰুত্ব প্ৰকাশ কৰিছে। বৰুৱাৰ মতে 'কবিতা সৌন্দৰ্যৰ বাহন, কাৰণ কবিতা সত্য।' সত্য, সুন্দৰ, আনন্দ, কল্পনা, দূৰদৃষ্টি সমাহাৰত সৃষ্ট কবিতাইহে যুগ ধৰ্ম অতিক্ৰম কৰিব পাৰে আৰু কৰি আহিছে। 'কবিতা বস্তুটোৱেই ঈশ্বৰৰ।' 'কবিতাই প্ৰেম অমৃতৰ নদী বোঁৱাব পাৰে', 'কবিতা শব্দৰ সংগীত' - তেনে কবিতা সৃষ্টিৰ গুৰু দায়িত্ব পালনৰ জৰিয়তে জাতীয় উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত আগবঢ়োৱা বহুবোৰ মতৰ ভিতৰত অন্যতম এটি মত হৈছে -

> আচল কবিতা হ'বলৈ হ'লে ছন্দৰ লগে লগে ৰস, ভাব আৰু ভাষাৰ সৌন্দৰ্য আদিৰ নিতান্ত আৱশ্যক। য'ত যুক্তি বা বিবৃত্তি প্ৰধান হৈ থাকে তাত ভাল কবিতা সৃষ্টি হোৱা টান, কবিতাৰে জনোৱাতকৈ আনন্দ দিয়াটোহে ঘাই কাম।।[৩৫]

এনেদৰে কবিতাৰ শৰীৰ আৰু আত্মাৰ বিচাৰ কৰি কবিতাৰ প্ৰতি ভালপোৱাৰ প্ৰকাশ অত্যন্ত প্ৰবল। কবিতাত প্ৰতিফলিত সনাতন সত্যই কিদৰে কবিতাক স্থায়ী কৰে সেই কথা বৰ্ণনা কৰিছে পৃথিৱীৰ আদিতম কবিতাৰ পৰা ৰোমাণ্টিক যুগৰ বেজবৰুৱাৰ কবিতাৰ উল্লেখেৰে। জাতীয় কবিসকলৰ দায়বদ্ধতাৰ কথা সোঁৱৰাই দিয়া এই ভাব স্বদেশ প্ৰেমৰ নামান্তৰ। কবিতাত সনাতন সত্যক স্বীকাৰ কৰি কৈছে -

> কবিতায়ো সাহিত্যৰ বাটেদিয়েই বাট বোলে। যুগ ধৰ্ম অনুসৰি যেই সাজেৰেই সজাওক নালাগে, সাজৰ ভিতৰত এটা সনাতন সৌন্দৰ্য বা সনাতন সত্য নিহিত থাকিলে কবিতা স্থায়ী হয়। আজিৰ পাঠকে সেই কবিতা যেনেকৈ ভাল পাব শ শ বছৰৰ পাছতো সেই কবিতাই মানুহৰ মন আকৰ্ষণ কৰিব।[৩৬]

গতিকে সমাজত খাপ খোৱা চিৰ সেউজ কবিতা সৃষ্টি যে এক জটিল প্ৰক্ৰিয়া উক্ত মতাদৰ্শই

---

৩৫। 'কবিতা', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯৯৮
৩৬। উল্লিখিত, পৃ. ১০০২

আওপকীয়াকৈ দেশৰ কাব্য সাধকৰ দায়িত্ব আৰু কৰ্তব্য সোঁৱৰাই দিছে। সাহিত্য জগতৰ পৰম আকাংক্ষিত বস্তু কবিতা সৃষ্টিৰ প্ৰতি সচেতনতা বৃদ্ধি আৰু দায়বদ্ধতাৰ কথাৰে স্বদেশৰ কবিতা জগত চহকী কৰিব বিচৰা কাৰ্য স্বদেশ প্ৰেমৰ নিদৰ্শন।

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত এনেধৰণৰ যুক্তি আৰু সত্যৰ কষতি শিলত ঘঁহনি খাই জিলিকি থকা অনেক বিষয়ক মতাদৰ্শ থূপ খাই আছে। ঐতিহাসিকভাৱে অত্যন্ত গুৰুত্বপূৰ্ণ মতাদৰ্শবিলাক বৰ্তমান সমাজত এই মতবাদবিলাকৰ স্থায়ী ৰূপ লক্ষ্য কৰা যায়। স্বদেশৰ ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক চিৰদিন প্ৰাসংগিক মতাদৰ্শসমূহে বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰকাশিত স্বদেশপ্ৰেম দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছে।

প্ৰেমৰ পৰা চিন্তাৰ উৎপত্তি হয়। চিন্তা হৈছে সকলো কৰ্মৰ মূল। যি চিন্তা আৰু কৰ্মই স্বদেশৰ সৰ্বতোপ্ৰকাৰৰ মঙ্গল সাধন কৰি স্বদেশক আগবাঢ়ি যোৱাত বলিষ্ঠ ভূমিকা পালন কৰিব পাৰে তেনে চিন্তা আৰু কৰ্ম নিতান্তই স্বদেশপ্ৰেমৰ পৰিচায়ক। এই দিশৰ পৰা গঢ় লৈ উঠা আদৰ্শ অতিকে গভীৰ আৰু মহান। বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰতিফলিত আদৰ্শাত্মক মতসমূহ সেয়ে স্বদেশপ্ৰেম প্ৰতিষ্ঠা বা বিয়পোৱাৰ বাবে যথেষ্ট যুক্তিপূৰ্ণ আৰু সদা আদৰণীয়।

উল্লেখযোগ্য যে, কোনো কোনো সময়ত বিভিন্ন পৰিপ্ৰেক্ষিতত জাতীয় জীৱনৰ মঙ্গলকাৰক মতাদৰ্শবিলাক হেৰাই যায় বা আদৰ হেৰুৱায়। ফলশ্ৰুতিত জাতিটোলৈ সংশয় আৰু সমস্যা নামি আহে আৰু জাতিয়ে তেতিয়া পুৰণিত আশ্ৰয় ল'বলগীয়া হয়। এইধৰণৰ প্ৰেক্ষাপটত বিনন্দ চন্দ্ৰ বৰুৱাৰ মতাদৰ্শসমূহৰ বহল প্ৰচাৰ আৰু প্ৰসাৰৰ প্ৰয়োজন।

### ৫.২.৩ সংস্কাৰকামী মনোভাৱ প্ৰকাশত প্ৰকাশিত স্বদেশপ্ৰেম ঃ

স্বদেশপ্ৰেম আৰু স্বদেশপ্ৰেমিকৰ আদৰ্শ স্থাপন হয় দেশৰ মুক্তি, প্ৰগতিৰ হকে কৰা চিন্তা আৰু কৰ্তব্যনিষ্ঠাত। সংস্কাৰ শান্তি-প্ৰগতি আৰু শৃঙ্খলাৰ সোপান। সময়ৰ অগ্ৰগতিৰ লগে লগেই সামাজিক পৰিৱৰ্তন অৱশ্যম্ভাৱী। তেনে পৰিৱৰ্তনক নিজৰ অনুকূলে গঢ় দি সমাজৰ প্ৰগতিত খটুৱাব পাৰিলেহে জাতি একোটা ধন্য হয় বা উন্নতিৰ শিখৰলৈ যাব পাৰে। সেয়ে সময়ে সময়ে বিভিন্ন দিশত সংস্কাৰৰ প্ৰয়োজন। পুৰণিক নতুন কৰি গঢ় দিব নোৱাৰিলে দেশ আৰু সমাজৰ প্ৰগতি অসম্ভৱ। এই অসম্ভৱক

সম্ভৱ কৰিব বিচৰাতেই স্বদেশপ্ৰেমিক মৰিও অমৰ হয়। বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰতিফলিত হোৱা স্বদেশপ্ৰেম সংস্কাৰকামী মনোভাৱৰ দ্বাৰাও প্ৰকাশ ঘটিছে। এনে ভাবৰ উচ্ছাস প্ৰকাশ ভাষা-সাহিত্যৰ ক্ষেত্ৰত যিদৰে প্ৰবলৰূপে ধৰা দিছে, ঠিক প্ৰচলিত শিক্ষা ব্যৱস্থাৰ সন্দৰ্ভতো ধৰা দিছে।

এইক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য সভা সম্বন্ধীয় প্ৰবন্ধলানি অন্যতম উদাহৰণ। ভাষা, সাহিত্য বা সাহিত্য সভা এই জাতীয় অনুষ্ঠানটিৰ কাম-কাজত নতুনৰ সংযোগেৰে সংস্কাৰ সাধান কৰিব বিচৰা কাৰ্য স্বদেশ প্ৰেমৰ নিদৰ্শন ৰূপে দাঙি ধৰিব পাৰি। উদাহৰণ -

(১) সাহিত্য সভাৰ নিজাকৈ এটা ছপাখানাৰো অতি আৱশ্যক।... সভাৰ নিজৰ উপযুক্ত ছপাশাল এটা হ'লে সকলো ৰকমৰ প্ৰকাশনৰ সুবিধা হ'ব।[৩৭]

(২) সভাৰ পুথিভঁড়ালটো ক্ৰমে ডাঙৰ কৰি জাতীয় সম্পত্তিত পৰিণত কৰা কামটোও সাহিত্য সভাৰ অন্যতম প্ৰধান কৰ্তব্য হৈ আছে।[৩৮]

(৩) আমাৰ শিক্ষিত লোক, লেখক, পাঠক আদিৰ সংখ্যা আগতকৈ বাঢ়িছে, কিন্তু ভাষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি আমাৰ লোকসকল যেনেকৈ সজাগ হ'ব লাগে, তেনেকৈ হোৱা নাই। ...। সাহিত্য সভাই গভীৰ আলোচনাৰ দ্বাৰা কিছুমান কাম কৰিবলৈ স্থিৰ কৰি ল'লে নিশ্চয় ফলপ্ৰসূ হ'ব।[৩৯]

শিক্ষা ক্ষেত্ৰত বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত সংস্কাৰৰ পোষকতা কৰা বৰুৱাৰ 'আমাৰ প্ৰাথমিক শিক্ষা আদি...', 'থুপি তৰাৰ বিষয়ে' প্ৰবন্ধ উল্লেখযোগ্য। জাতি ভেদ প্ৰথাৰ বিৰুদ্ধে এক সংস্কাৰী মনোভাৱৰ পৰিচয় দাঙি ধৰি মত প্ৰকাশ কৰিছে এনেদৰে —

আজি ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ, চণ্ডাল আদি সকলোৱে সকলোকে বিশ্বাস কৰক। সকলো একত্ৰিত হৈ মাহাত্মাৰ অমূল্য জীৱন ৰক্ষা কৰোহক। এছিয়াৰ পবিত্ৰ ভূমিত যেন আৰু এজন যীশুখ্ৰীষ্টৰ ৰক্তপাত

---

৩৭। 'সাহিত্য সভাৰ তিনি কুৰি বছৰ' *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯০১
৩৮। উল্লিখিত
৩৯। 'আগত সাহিত্য, পাছত শক্তি', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯১৯

নহয়। ওঁ শান্তি।[৪০]

ঠিক তেনেদৰে সমাজত নাৰীৰ স্থানৰ ক্ষেত্ৰত বৰুৱাৰ সংস্কাৰকামী মনোভাৱ এনেধৰণৰ — 'সৰহভাগ উপন্যাসতে স্ত্ৰী চৰিত্ৰকে বেছি দোষী কৰি দেখোৱাটো বৰ ভাল যেন নালাগে। মাতৃ জাতিৰ প্ৰতি আমাৰ যথেষ্ট সহানুভূতি আৰু শ্ৰদ্ধা থকা উচিত।'[৪১]

এনেদৰেই বহু মতাদৰ্শৰ জৰিয়তে প্ৰকাশিত সংস্কাৰকামী মনোভাৱ বৰুৱাৰ প্ৰবন্ধলানিত বিদ্যমান। ইয়াৰ জৰিয়তে বৰুৱাৰ সাহিত্যত যিদৰে যুগ সাপেক্ষ চিন্তাৰ উন্মেষ দেখা যায় সেইদৰে জাতীয় প্ৰেমৰ নিদৰ্শনো লক্ষ্য কৰা যায়।

### ৫.২.৩.১ শিক্ষা ব্যৱস্থা আৰু প্ৰগতিশীল চিন্তা ঃ

শিক্ষা হৈছে এখন সমাজ তথা এখন দেশৰ প্ৰগতিৰ চালিকাশক্তি। বিশেষকৈ দেশৰ প্ৰাথমিক শিক্ষাই মানৱ সভ্যতা-সংস্কৃতিৰ বৰপেৰা নিৰ্মাণত প্ৰচুৰ ভুমিকা পালন কৰে। আজিৰ শিশু কাইলৈ দেশৰ ধৰণী। শিশুসকলক উপযুক্ত পৰিৱেশত উপযুক্ত শিক্ষা প্ৰদান নকৰিলে দেশ আৰু জাতিৰ ভৱিষ্যত সংশয়াছন্ন। তেনে সংশয় দূৰ কৰি দেশৰ গ্ৰাম্য পটভূমিৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰচলিত আসোঁৱাহ দূৰ কৰি উন্নত আৰু মানদণ্ডসম্পন্ন শিক্ষা ব্যৱস্থাৰ পোষকতাৰ নিদৰ্শন বৰুৱাৰ প্ৰবন্ধ বিদ্যমান। বিশেষকৈ 'আমাৰ প্ৰাথমিক শিক্ষা আদি ...' আৰু 'থূপি তৰাৰ বিষয়ে' প্ৰবন্ধ দুটা এইক্ষেত্ৰত উল্লেখযোগ্য। প্ৰবন্ধকেইটাত শিক্ষাৰ মূল উদ্দেশ্য, শিক্ষাৰ প্ৰকৃত কৰ্ম, শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য ইত্যাদিৰ উপৰিও দেশৰ প্ৰাথমিক খণ্ডৰ শিক্ষা ব্যৱস্থা কুৰি শতিকাতো উন্নত নোহোৱাত ক্ষোভৰ বৰ্হিপ্ৰকাশ ঘটিছে। তেনে শিক্ষাখণ্ডৰ সংস্কাৰৰ পোষকতা কৰা নিতান্তই স্বদেশপ্ৰেমৰ নিদৰ্শনৰূপে অভিহিত কৰিব পাৰি।

---

৪০। 'আহ্বান', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৪১
৪১। 'ভাষণাৱলী - ১', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৫৪

এনে প্ৰগতিশীল চিন্তা স্বদেশৰ প্ৰতি আকণ্ঠ ভালপোৱাৰ নিদৰ্শন।

উদাহৰণ —

> স্বাধীনতাৰ পঁচিশ বছৰৰ পিছতো গাঁৱলীয়া প্ৰাথমিক বিদ্যালয়ৰ ঘৰ অনেক ঠাইত গৰু-গোহালিতকৈও বেয়া হৈ আছে। ল'ৰা-ছোৱালীয়ে বহিবলৈ এতিয়াও মূৰত ফটা থৈলা একোডোখৰ লৈ আহিব লাগে। ... নিয়াৰিকৈ শৃঙ্খলিতভাৱে, আন্তৰিকতাৰে সংশ্লিষ্ট কৰ্তৃপক্ষই কাম হাতত লোৱা হ'লে দেশৰ সহৰ ভাগ ছাত্ৰ-ছাত্ৰীৰ এনে দুখলগা আৰু লাজ লগা অৱস্থা কেতিয়াবাই দূৰ হ'লহেঁতেন। ... এই বিষয়ে বিশেষকৈ চকু দিয়া শিক্ষক, অভিভাৱক আৰু সৰ্বসাধাৰণ ৰাইজৰ একান্ত কৰ্তব্য। ভয় কৰি বা আশাত ভজি থাকিলে নিজৰো অনিষ্ট দেশৰো অনিষ্ট।[৪২]

আকৌ —

> কুৰি শতিকাৰ শেহতো আমাৰ গাঁৱলীয়া নিৰীহ ছাত্ৰৰ এনে শোচনীয় অৱস্থা আমি সহ্য কৰিব পৰা নাই। পৰাধীন হৈ থকাৰ অৱস্থা আমি সুঁৱৰিব নোখোজো কিন্তু দেশ স্বাধীন হোৱাৰ দুকুৰি বছৰৰ পিছতো এনে অৱস্থা সহিব নোৱাৰি।[৪৩]

এনেদৰে উপযুক্ত আন্তঃগাঁথনি উপযুক্ত নাগৰিক গঢ়াৰ ব্যৱস্থাত প্ৰয়োজনীয়তা প্ৰকাশ কৰি শিক্ষাক্ষেত্ৰত সংস্কাৰৰ পোষকতা কৰা দেখা যায়।

---

৪২। 'থুপি তৰাৰ বিষয়ে', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৩১
৪৩। 'আমাৰ প্ৰাথমিক শিক্ষা আদি ...', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০২৭

### ৫.২.৪ মাতৃভাষা প্ৰীতি আৰু মাতৃভাষাৰ সাহিত্যৰ গুৰুত্ব ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত মাতৃভাষা প্ৰীতি আৰু মাতৃভাষাৰ সাহিত্যৰ গুৰুত্ব প্ৰকাশ অন্যতম এক বৈশিষ্ট্য। এই বৈশিষ্ট্যই বৰুৱাৰ প্ৰবন্ধত প্ৰকাশিত স্বদেশপ্ৰেমক উজ্জ্বল ৰূপত দাঙি ধৰে। এক শক্তিশালী ৰূপত প্ৰবন্ধসমূহৰ মাজত এনে ভাবৰ প্ৰকাশ ঘটিছে। 'জাতীয় সাহিত্য জাতীয় উন্নতিৰ সিংহদ্বাৰ' —এই কথাৰ সুতীব্ৰ অনুৰণন বৰুৱাৰ প্ৰবন্ধত নিহিত। 'আগত সাহিত্য, পাছত শক্তি' বুৰঞ্জীৰ মহাবাণী' [৪৪] প্ৰচাৰ আৰু প্ৰসাৰ প্ৰবন্ধসমূহত লক্ষ্য কৰা যায়। তেওঁৰ মতে জাতীয় ভাষা-সাহিত্য স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ প্ৰাথমিক ভেটি। জাতীয় সংহতি ৰক্ষা কৰাৰ ক্ষেত্ৰত জাতীয় ভাষা-সাহিত্য জাতীয় শক্তিৰ আধাৰস্বৰূপ। ৰাজনৈতিক একতা, ধৰ্ম-সম্বন্ধীয় একতা, সাম্প্ৰদায়িক একতা আদিয়েও জাতীয় একতা ৰক্ষা কৰে; কিন্তু জাতীয় ভাষা-সাহিত্যৰ সমান নহয়। এইক্ষেত্ৰত প্ৰথম মাতৃভাষা আৰু মাতৃভাষাৰ সাহিত্য। জাতীয় সাহিত্য চৰ্চা নহ'লে দেশ আৰু জাতিৰ উন্নতি নহয়। সাহিত্যিকসকলেও দেশৰ জনগণৰ লুপ্ত শক্তি জাগ্ৰত কৰিবৰ বাবে শক্তিশালী সাহিত্য সৃষ্টি কৰাৰ বলিষ্ঠ প্ৰকাশ বৰুৱাৰ প্ৰবন্ধত বিদ্যমান। তাৰ উপৰিও প্ৰকৃত সাহিত্যিক স্বৰূপাৰ্থতেই স্বদেশপ্ৰেমিক[৪৫] বুলি মত আগবঢ়াই সাহিত্য আৰু সাহিত্যিকৰ দায়বদ্ধতা স্পষ্ট ৰূপত দাঙি ধৰিছে।

মাতৃভাষাৰ স্বকীয়তা আৰু কালিকা ৰক্ষাৰ ক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধত গভীৰ আবেদন অন্তঃসলিলা ফল্গুৰ দৰে বৈ আছে। ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধি পায় 'জতুৱা ঠাঁচ'ৰ ব্যৱহাৰত। ভাষাত উপযুক্ত শব্দ ব্যৱহাৰ, অনাহকত নতুন শব্দৰ ব্যৱহাৰৰ পৰা বিৰত থকা,[৪৬] সণ্ঢালনিকৈ চলি থকা শব্দবিলাক বাদ দিয়াতকৈ সংস্কাৰৰ দ্বাৰা ভাষাত ব্যৱহাৰ কৰা,[৪৭] 'যি নিজৰ ভাষাক উলাই কৰে, তেওঁক বিশ্বাস

---

৪৪। 'আগত সাহিত্য, পাছত শক্তি...' *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯১৯

৪৫। 'ভাষণাৱলী - ১', সভাপতিৰ অভিভাষণ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৪৯

৪৬। পূৰ্বোল্লিখিত

কৰিব নাপায়। কাৰণ, তেওঁৰ মৰমৰ বস্তু পৃথিৱীত আৰু বিশেষ নাই।'[৪৮] বোলা বক্তব্যই বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰকাশিত মাতৃভাষা প্ৰীতিৰ অন্যতম উদাহৰণ। তাৰ উপৰিও প্ৰসংগক্ৰমে 'বেণুধৰ শৰ্মা'ৰ ভাষাৰীতিৰ উদাহৰণো দাঙি ধৰি ভাষাত 'জতুৱা ঠাঁচ'ৰ গুৰুত্ব প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰা পৰিলক্ষিত হৈছে। বৰুৱাৰ মতে ভাষাৰ কালিকা সোমাই থাকে উচিত বাক্য ব্যৱহাৰত আৰু জতুৱা ঠাঁচত।

> 'বনোৱা' শব্দটো কেতিয়াবা 'ঘৰ বনাইছে' বুলিলে বৰ বেয়া নাপায়, কিন্তু 'ভাত বনাইছে' বা 'চাহ বনাইছে' বুলিলে ভাত বা চাহ খাবলৈ ভাল নাপায়। তেখেতে দেওবৰীয়া বজাৰলৈ নাযায়, হাটলৈহে যায়, শিৱসাগৰ নাযায়, শিৱসাগৰলৈহে যায়, গৌহাটী নোবোলে, গুৱাহাটীহে বোলে, কমলা নাখাই, সুমথিৰাহে খায় ইত্যাদি।[৪৯]

মাতৃভাষা জ্ঞান আহৰণৰ স্বাভাৱিক মাধ্যম হোৱাৰ পোষকতা কৰা, পৃথিৱীৰ উন্নত জাতিবিলাকৰ শিক্ষাৰ মাধ্যম মাতৃভাষা বোলা আৰু মাতৃভাষাৰ প্ৰতি হীন মনোভাৱ ত্যাগ কৰি ইয়াৰ উন্নতিৰ দিহা[৫০] কৰাৰ আহ্বান বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধত প্ৰকাশিত স্বদেশপ্ৰেমৰ উজ্জ্বল দৃষ্টান্ত।

### **৫.২.৫ আশাবাদ স্থাপন আৰু স্বদেশপ্ৰেম ঃ**

বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধৰাজিত প্ৰকাশ পোৱা আশাবাদ স্বদেশপ্ৰেমৰ নিদৰ্শন। স্বদেশৰ দুখ-দুৰ্গতিত যিদৰে প্ৰবন্ধসমূহৰ দুই-এঠাইত ক্ষোভৰ বৰ্হিঃপ্ৰকাশ লক্ষ্য কৰা যায় ঠিক তেনেদৰে এটা সুন্দৰ ভৱিষ্যতৰ আশাও প্ৰতিভাত হৈছে। বৰুৱাৰ প্ৰায়সংখ্যক প্ৰবন্ধতে মাতৃভূমিৰ জয়গানৰ লগতে ন-

---

৪৭। 'ভাষণাৱলী - ১', সভাপতিৰ অভিভাষণ, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৫৭

৪৮। উল্লিখিত, পৃ. ১০৫৮

৪৯। 'স্বৰ্গীয় বেণুধৰ শৰ্মাৰ অসমীয়া ভাষা আৰু সাহিত্যলৈ অৱদান', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯১৭

৫০। 'সভাপতিৰ অভিভাষণ-১', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৪৮

ৰূপত বিকশিত হোৱাৰ প্ৰবল আশাবাদৰ প্ৰকাশ ঘটিছে বিভিন্ন দিশত। 'টীয়ক' প্ৰবন্ধটিত ফুটি উঠিছে তেনে এক আশাবাদ। জন্মস্থান টীয়কক নগৰ ৰূপত চাবলৈ বিচৰা আৰু সকলো ফালৰ পৰা উন্নতি সাধন হোৱাৰ আশা।

> ... মোটামোটিকৈ জগদুৱাৰৰ পৰা মুদৈজানলৈকে আলিৰ দুই দাঁতিয়ে টীয়কত এখন নগৰ হ'ব পাৰিব। ... অৱশ্যে দৈনন্দিন লাগতিয়াল বস্তুৰ অসম্ভৱৰূপে চৰা দামৰ ব্যৱস্থাত জুৰুলা হৈ পৰা এচাম ৰাইজক সহায় কৰিব পৰা ব্যৱস্থা অকল টীয়কেই কৰিব নোৱাৰিব, এই কাম গোটেই দেশৰ আৰু চৰকাৰৰ এই বিষয়ত টীয়কে কৰিব পৰাখিনি নিশ্চয় কৰিব পাৰিব।[৫১]

অসম সাহিত্য সভাৰ সন্দৰ্ভত প্ৰকাশিত ইতিবাচক চিন্তাৰ মাজত ফুটি উঠিছে আশাবাদৰ সুৰ — 'সত্য আৰু সুন্দৰৰ বাবে সজাগ হৈ থকা লোকৰ দ্বাৰা পৰিচালিত সাহিত্য সভাই জাতিক আগবাঢ়ি যোৱাত নিশ্চয় প্ৰেৰণা যোগাব।'[৫২] 'মই লিখো কিয়?' প্ৰবন্ধত দেশৰ উঠি অহা বংশধৰসকলক লৈ পোষণ কৰা আশাবাদো এইক্ষেত্ৰত উল্লেখযোগ্য — 'মই লিখো, মোৰ উঠি অহা ভাই-ভনী, বংশধৰসকলক সমাজখন দেশৰ আদৰ্শৰ সমাজ হয়, আমাৰ সমাজত যেন মানুহৰ সকলো সুন্দৰ গুণৰ অভাৱ নহয়।'[৫৩] সাহিত্য সভাৰ ক্ষেত্ৰত বৰুৱাৰ আশাবাদৰ সুৰ এনেধৰণৰ—

> ই সৰ্বভাৰতীয় সংহতি ৰক্ষা কৰাতো যথেষ্ট সহায় কৰিব পাৰিব। সাহিত্য সভাৰ সভ্যসকলে সাধাৰণ কথাত খাম-খেয়ালিৰ সৃষ্টি নকৰি সময়ে সময়ে নিৰ্বাচিত

---

৫১। 'টীয়ক', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০২৫

৫২। 'মোৰ দৃষ্টিত সাহিত্য সভা', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৯১৭

৫৩। 'মই লিখো কিয়?' *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৩৯

> গুৰিয়ালসকল যাতে সকলো প্ৰকাৰে উপযুক্ত লোক হ'ব পাৰে তাৰ নিমিত্তে চেষ্টা কৰা উচিত। সঁচাকৈয়ে যিসকল সাহিত্য-সংস্কৃতিৰ উপাসক, তেওঁবিলাকে কোনো স্বাৰ্থলৈ নাচাই ভালটোকেই বিচাৰে। তেওঁবিলাক সদায় সত্য আৰু সুন্দৰৰ কাৰণে সজাগ হৈ থাকে। এনে লোকৰ দ্বাৰা পৰিচালিত সাহিত্য সভাই জাতিক আগবাঢ়ি যোৱাত নিশ্চয় প্ৰেৰণা যোগাই থাকিব পাৰিব।[৫৪]

আলোচনাৰ পৰা দেখা গ'ল যে, বিনন্দ চন্দ্ৰ বৰুৱাৰ বৈচিত্ৰপূৰ্ণ বিষয়বস্তুৰে সমৃদ্ধ বিস্তৃত প্ৰবন্ধৰাজিত প্ৰকাশিত স্বদেশপ্ৰেম অতুলনীয়। জাতীয় জীৱনক চহকী কৰিবপৰা সকলোবোৰ গুণেৰে সমৃদ্ধ বৰুৱা প্ৰবন্ধৰাজি যিদৰে ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ ঠিক তেনেদৰেই ভাৱবস্তু (Spirit) ৰ দিশৰ পৰাও অত্যন্ত গুৰুত্বপূৰ্ণ। কেন্দ্ৰস্থ ভাৱ স্বদেশপ্ৰেমক কেন্দ্ৰ কৰি বৰুৱাই ৰচনা কৰা প্ৰবন্ধসমূহ সেয়ে জাতি জাগৰণৰ অমল উৎস আৰু এই ক্ষেত্ৰত প্ৰবন্ধসমূহ একক।

৫৪। 'ভাষণাৱলী -১', *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ১০৪৯